জাতিৰ আৱেগ সমাজৰ বিৱেক


# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

বিংশতিতম বছৰ, সংখ্যা ২৩৭ ● শনিবাৰ ● ২৫ বহাগ ● ১৯৪৮ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Saturday May 9, 2026 ● ১৪ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট আৰু গুৱাহাটীৰ পৰা প্ৰকাশিত

## কানৈ মহাবিদ্যালয়ত দক্ষতা বিকাশ শিবিৰ অনুষ্ঠিত

ডিব্ৰুগড় ঃ ষ্টাফ ৰিপৰ্টাৰ, ৮ মে' ঃ 'দুৰ্যোগৰ সৈতে মোকাবিলা কৰাই হৈছে দুৰ্যোগ প্ৰতিৰোধৰ প্ৰধান উপায়। বৰ্তমান সময়ৰ প্ৰেক্ষাপটত যদিও দুৰ্যোগ প্ৰতিৰোধৰ বিভিন্ন বিজ্ঞানসন্মত প্ৰণালী উপলব্ধ হৈ আছে, তথাপি সমাজত ব্যক্তি আৰু সামাজিক সজাগতা তথা দুৰ্যোগৰ সৈতে মোকাবিলা কৰিব পৰাকৈ এতিয়াও সজাগতা আৰু প্ৰশিক্ষণৰ যথেষ্ট প্ৰয়োজন আছে।' ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)-ৰ এন এছ এছ, এন চি চি গোটৰ উদ্যোগত আৰু ৰাষ্ট্ৰীয় দুৰ্যোগ প্ৰশমন বাহিনীৰ সহযোগত কানৈ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা দুৰ্যোগ প্ৰতিৰোধৰ দক্ষতা বিকাশ শিবিৰ উদ্বোধন কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই আজি এইদৰে কয়। অধ্যক্ষগৰাকীয়ে কয়— ছাত্ৰ সমাজৰ পৰাই যদি দুৰ্যোগৰ ক্ষেত্ৰত ল'ব লগা বিভিন্ন প্ৰশিক্ষণ আৰু সজাগতা উপযুক্ত ৰূপত প্ৰসাৰ আৰু প্ৰচাৰ হয়, তেতিয়াহে দুৰ্যোগৰ পৰা হ'ব পৰা ধনজনৰ ক্ষতি কিছু পৰিমাণে হ'লেও ৰোধ কৰিব যাব। তেওঁ কয়— কিছুদিন ধৰি উত্তৰ-পূব ভাৰতৰ বিশেষকৈ অসম আৰু অৰুণাচল সীমান্তক কেন্দ্ৰ কৰি উৎপত্তি হোৱা ভূমিকম্প, ঘূৰ্ণি বতাহ আৰু জলবায়ু পৰিৱৰ্তনে দুৰ্যোগ প্ৰশমনৰ ক্ষেত্ৰত সামাজিক সজাগতা আৰু প্ৰশিক্ষণকেন্দ্ৰিক প্ৰয়োজনীয়তাৰ গুৰুত্ব অত্যাধিক কৰি তুলিছে। মহাবিদ্যালয়ৰ এন এছ এছৰ প্ৰকল্প বিষয়া অধ্যাপক শিৱনাথ চুতীয়াই আঁত ধৰা অনুষ্ঠানটোত অধ্যক্ষগৰাকীয়ে কয়— চৰকাৰে বিভিন্ন




সময়ত প্ৰেৰণ কৰা বৈদ্যুতিক বাৰ্তা আৰু সজাগতা কেন্দ্ৰিক প্ৰচাৰসমূহে জনসাধাৰণক দুৰ্যোগ প্ৰশমনৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ লগতে ইয়াক দৈনন্দিন জীৱন শৈলীৰ এক অংগ হিচাপে গঢ়ি তোলাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে। অনুষ্ঠানত ৰাষ্ট্ৰীয় দুৰ্যোগ প্ৰশমন বাহিনীৰ তৰফৰ পৰা দুৰ্যোগ প্ৰশমনৰ ক্ষেত্ৰত ল'ব লগা বিভিন্ন সুৰক্ষা সম্পৰ্কীয় দিশসমূহৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিভিন্ন ধৰণৰ কৌশল প্ৰদৰ্শন কৰাৰ লগতে তেওঁলোকক প্ৰায়োগিক দিশতো নিয়োজিত কৰা হয়। অনুষ্ঠানটোত মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° পাৰ্থ গাংগুলী, শৈক্ষিক পৰিষদৰ সদস্য সচিব ড° জ্যোতি প্ৰসাদ ফুকন, অভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° দীপংকজ গগৈৰ লগতে ৰাষ্ট্ৰীয় দুৰ্যোগ প্ৰশমন বাহিনী, ডিব্ৰুগড়ৰ পৰিদৰ্শক অজয় কুমাৰ, উপ-পৰিদৰ্শক বিশ্বজিৎ বৰুৱাই বক্তব্য আগবঢ়ায়। শলাগ জ্ঞাপন কৰে মহাবিদ্যালয়ৰ এন চি চি গোটৰ এ এন অ' ড° পৰাগজ্যোতি চুতীয়াই। আনহাতে, আজি আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ দ্বাৰা আয়োজিত 'ৱাকাথন' প্ৰতিযোগিতাত কানৈ মহাবিদ্যালয়ৰ দুই ছাত্ৰ-ছাত্ৰী ক্ৰমে প্ৰণিকা বৰুৱা আৰু হৃদয় শৰ্মাই প্ৰথম আৰু দ্বিতীয় স্থান লাভ কৰি মহাবিদ্যালয়খনলৈ গৌৰৱ আনে। এই কাৰ্যসূচীত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াৰ লগতে পোন্ধৰগৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰে। অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰীসকলক ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰৰ তৰফৰ পৰা একোখনকৈ মান-পত্ৰ প্ৰদান কৰা হয়।

## ডিব্ৰুগড়, লখিমপুৰত 'মৰমৰ দেউতা'ৰ পৰিয়াল